বৃদ্ধাশ্ৰমখনৰ নতুন কুঠৰীটোত বস্তু-বাহানিৰ সৈতে মাকক সোমাই দি অৰিন্দম দীঘল ক'ৰিডৰটোৰে ওলাই আহিল। বাৰাণ্ডাত ৰ'দৰ উম লৈ থকা বৃদ্ধাগৰাকীয়ে এক ঘৃণাৰ দৃষ্টিৰে অৰিন্দমলৈ চালে আৰু এসোপামান থুই কাষৰ বেৰখন্ৰ উদ্দেশ্যি মাৰি পঠিয়ালে। সি একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। লাহেকৈ গেটখন খুলিল আৰু ৰাজপথত ভৰি দিলেহি।

# নিৰাপত্তা

## — জিতুমণি পাঠক

কালি যেতিয়া সি হঠাৎ ভাতৰ টেবুলত তাৰ সিদ্ধান্ত শুনাইছিল বজ্ৰ পৰা মানুহৰ দৰে ভাতৰ পাতত মাকৰ হাতখন ৰৈ গৈছিল। সি গম পাইছিল মাকৰ দুচকুৰে তেতিয়া ধাৰাসাৰ বাৰিষাৰ প্লাৱন বৈছিল। সি এবাৰো সেইফালে চোৱা নাছিল। বৰং আধা খোৱা ভাতেৰে সি উঠি আহি বেডৰুমত সোমাইছিল। তাৰ পৰাই শুনিছিল ডাইনিং ৰুমৰ পৰা ভাহি অহা টুকুৰা-টুকুৰ শব্দ। তাৰ পত্নীৰ বুজনি, নিষ্কৰ্মা-সোৰোপ খুলশালিয়েকৰ অপ্ৰয়োজনীয়ভাৱে উচ্চস্বৰত কোৱা কথাবোৰ। সি এটা শৱদেহৰ দৰে বিছনাত পৰি ৰৈছিল।

পুৱা কাষৰ এপাৰ্টমেণ্টৰ দত্ত খুৰাক আহিছিল। খুৰাক দেউতাকৰ অতি আপোন বন্ধু আছিল। হয়তো মাকে ফোন কৰিছিল। খুৰাকে বুজাইছিল কথাটো আকৌ এবাৰ নতুনকৈ ভাবি চাব নোৱাৰি নেকি? সি কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে। এঘণ্টাৰ ওপৰ বহা মানুহটোক সিদিনাখন তাৰ পত্নী আল্পনাই একাপ চাহো নাজাছিলে।

আবেলি যেতিয়া গাড়ীখন লৈ সি মাকক থ'ব ওলাই গৈছিল বাটতে মাকে মাত্ৰ এষাৰ কথা কৈছিল— ভালকৈ থাকিবি। সি প্ৰত্যুত্তৰত কৈছিল— তই আৰু মোৰ খবৰ কেতিয়াও নল'বি। মাকে হয়তো আৰু এবাৰ উচুপি উঠিছিল। সি নেদেখা ভাও ধৰিছিল। নিৰুপায় সি। কি সতেৰেনো সি মাকক কয় যে তাৰ হাতত আৰু মাথোঁ জীৱনৰ কেইটামান দিনহে বাকী আছে। এইকণ বেদনা সহিব নোৱাৰা মাকে কিদৰে সহিব সেই বেদনা। তিলতিলকৈ মৃত্যুৰ মুখলৈ আগবঢ়া তালৈ চাই মাকে প্ৰতিদিন মৃত্যুসম যন্ত্ৰণা পোৱাটো সি কোনোমতে সহ্য কৰিব নোৱাৰিব। ডাক্তৰৰ মুখত কথাতো শুনাৰ পাছৰ পৰাই তাৰ মূৰত দিনে-নিশাই এটা কথাই খুন্দিয়াই আছিল তাৰ অবৰ্তমানত মাকৰ কি হ'ব। সেই মুহূৰ্তত তাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথাটো হৈ পৰিছিল মাকৰ বাকী থকা দিনকেইটাৰ বাবে এক অটুট নিৰাপত্তা। অৱশেষত সি বিচাৰ উলিয়াইছিল এই শেষ আশ্ৰয়।

ৰাস্তাত গাড়ীখনত উঠাৰ সময়ত সি ভাবিলে কালিয়েই সি প্ৰতিশ্ৰুতি দিয়া মতে তাৰ উপাৰ্জনৰ সেই বৃহৎ অংশটো অনাথ আশ্ৰমখনৰ নামত ট্ৰান্সফাৰ কৰি দিব। তাৰ অবৰ্তমানত সেইখিনিয়েই হ'ব তাৰ মাকৰ একমাত্ৰ নিৰাপত্তাৰ কৱচ।

ফোন: ৮৬৩৮০১৪৭৬৭